# MoS inaugurates a philately exhibition on ‘India and the UN: A Postal History’ to mark the 75th UN Day

October 24, 2020

# বৈদেশিক পৰিক্ৰমাৰ ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে 75তম ৰাষ্ট্ৰসংঘ দিৱস উপলক্ষে ‘ভাৰত আৰু ৰাষ্ট্ৰসংঘঃ এক ডাক ইতিহাস’ শীৰ্ষক এক ডাক টিকট সংগ্ৰহ সম্বন্ধীয় প্ৰদৰ্শনীৰ উদ্বোধন কৰে

অক্টোবৰ 24, 2020

75 তম ৰাষ্ট্ৰসংঘ দিৱস উপলক্ষে 24 অক্টোবৰ 2020 তাৰিখে বৈদেশিক পৰিক্ৰমাৰ মাননীয় ৰাজ্যিক মন্ত্ৰী শ্ৰী ভি মূৰালীধৰণে মূখ্য অতিথি হিচাপে বক্তব্য ৰাখে আৰু ‘ভাৰত আৰু ৰাষ্ট্ৰসংঘঃ এক ডাক ইতিহাস’ শীৰ্ষক ডাক সংগ্ৰহ সম্বন্ধীয় প্ৰদৰ্শনীৰ উদ্বাধন ৰাষ্ট্ৰসংঘৰ দ্বাৰা আয়োজিত এক ভাৰ্চুৱেল কাৰ্যসূচীৰ জৰিয়তে কৰা হয়।

মাননীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী ভি মূৰালীধৰণে তেখেতৰ বক্তব্যত বিগত সাত দশকত ৰাষ্ট্ৰসংঘই কৰা কামসমূহত ভাৰতৰ বহুপাক্ষীক অৱদানৰ কথা উল্লেখ কৰে। ৰাষ্ট্ৰসংঘৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিৰ কথা পুনৰাই ব্যক্ত কৰি তেখেতে জোৰ দি কয় যে ভাৰতে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ 2021-22 বৰ্ষত নিজৰ কাৰ্যকালৰ সময়ছোৱাত ৰাষ্ট্ৰসংঘৰ সংস্কাৰ আৰু পুনৰুদ্ধাৰৰ কাৰণে সকলোবোৰ দেশৰ সৈতে একেলগ হৈ কাম কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

**নতুন দিল্লী**
**অক্টোবৰ 24, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.